**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-02-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

শিৱসাগৰ জিলাৰ ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। এই অনুষ্ঠানত ৩৪ হাজাৰ ৭১১ গৰাকী মহিলাক চেক বিতৰণ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ মহিলাসকল স্বাৱলম্বী হৈ পৰিয়ালক সকাহ দিছে বুলি মন্তব্য কৰে।

ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে শিৱসাগৰত ২ কোটি ২৪ লাখ টকা ব্যয় সাপেক্ষ নৱ নিৰ্মিত নাট্য মন্দিৰ উদ্বোধন কৰে। এই নাট্য মন্দিৰে অঞ্চলটোৰ সাংস্কৃতিক পৰিমণ্ডল সমৃদ্ধ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। ড° শৰ্মাই আজি বিয়লি চৰাইদেউ জিলাৰ সোণাৰি খেলপথাৰত আত্মসহায়ক গোটৰ সদস্যসকলক মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। এই অনুষ্ঠানত সোণাৰী সমষ্টিৰ ২৮ হাজাৰ ২৯৬ গৰাকী মহিলাক চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ সামগ্ৰিক বিকাশৰ বাবে ৯৯ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি দলৰ প্ৰাৰ্থীত্ব প্ৰদান প্ৰক্ৰিয়াৰ ওপৰত মন্তব্য কৰে।

বাইট

০০০০

বিজেপি নেতা য়ুমনাম খেমছান্দ সিঙে আজি লোকভৱনত মণিপুৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই তেওঁক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়।

বিজেপিৰ নেমচা কিপগেন আৰু এন পি এফৰ লোছি দিখৌৱে উপ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন চৰকাৰ গঠনৰ পথ প্ৰশস্ত কৰি আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যখনত বলবৎ হৈ থকা ৰাষ্ট্ৰপতিৰ শাসন প্ৰত্যাহাৰ কৰে।

০০০০

শোণিতপুৰ জিলাৰ মিছামাৰীত আজিৰে পৰা ভাৰত আৰু কিৰ্গিস্তানৰ মাজৰ যুটীয়া সামৰিক অনুশীলন খঞ্জৰৰ ত্ৰয়োদশ সংস্কৰণ অনুষ্ঠিত হৈছে। এই ১৪ দিনীয়া অনুশীলনৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ বিশেষ বাহিনীসমূহৰ মাজত পাৰস্পৰিক সমন্বয় বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। অনুশীলনৰ সময়ছোৱাত ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা অনুসৰি নগৰাঞ্চলকেন্দ্ৰিক ৰণকৌশল আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযানত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। এই অনুশীলনে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা আৰু সামৰিক সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। সামৰিক সূত্ৰই প্ৰকাশ কৰা মতে অনুশীলনৰ সময়ছোৱাত ভাৰতৰ আগশাৰীৰ পেৰাছুট ৰেজিমেণ্ট আৰু কিৰ্গিস্তানৰ স্ক'ৰপিয়ন ব্ৰিগেডে দূৰৰ পৰাই শত্ৰুপক্ষক আক্ৰমণ কৰা, অসামৰিক

এলেকাত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীক নিধন কৰা, পাহাৰীয়া এলেকাত অভিযান চলোৱাৰ কৌশল আৰু বিশেষ সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ দৰে উন্নত কৌশলৰ অনুশীলন কৰিব। ভাৰত আৰু কিৰ্গিস্তানে ২০১১ চনৰ পৰা প্ৰতিবছৰে যুটীয়া সামৰিক অনুশীলনৰ আয়োজন কৰি আহিছে।

০০০০

অসম ৰাজ্যিক মহিলা আয়োগে মহিলাসকলৰ সৱলীকৰণৰ বাবে আৰম্ভ কৰা বিশ্বাস যাত্ৰা শীৰ্ষক কাৰ্যসূচীৰ অংশ হিচাপে আজি নলবাৰীত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া কিশোৰ ৰাহতকাৰে অংশ লয়। গৰ্ডন খেলপথাৰত আয়োজিত এই অনুষ্ঠানত অধ্যক্ষাগৰাকীয়ে অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাৰ উপস্থিতিত এটা মটৰ চাইকেল সমদল মুকলি কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষাগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

০০০০

ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন কাইলৈ অনুষ্ঠিত হ'ব। চিলাপথাৰত দিনৰ ১১ বজাত আৰম্ভ হ'বলগীয়া প্ৰথমখন খেলত যোৱাবাৰৰ বিজিত কেৰালা-পাঞ্জাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনখন খেল দিনৰ ডেৰ বজাৰ পৰা ৰে'লৱে আৰু ছাৰ্ভিচেছৰ মাজত ঢকুৱাখনাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চূড়ান্ত বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

০০০০

জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আজি ভাৰতে আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰে। আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৪ টা উইকেট হেৰুৱাই ৩১০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ৪১ অভাৰ এটা বলতে ৩ টা উইকেটৰ বিনিময়ত ৩১১ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ আৰুণ জৰ্জে ১০৪ টা বলত ১১৫ ৰান কৰে। শুকুৰবাৰে ফাইনেলত ভাৰত-ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**